# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-10-2024
**Time :** 0900 Hrs

***<u>Assamese Morning Bulletin</u>***
**::::::::::::::::::::::::::::::::::::::::**

## <u>Headlines</u>

১। গুজৰাটত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু স্পেইনৰ প্ৰধানমন্ত্ৰী পেড্ৰো ছানচেজৰ আজি যুটীয়াভাৱে ভাৰতৰ সামৰিক বিমানৰ প্ৰথমটো ব্যক্তিগত খণ্ডৰ ফাইনেল এছেম্বলি লাইন মুকলি।

২। ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ পৰীক্ষা। পৰহিলৈ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন।

৩। সদ্যসমাপ্ত তৃতীয় আৰু চতুৰ্থবৰ্গৰ পৰীক্ষাৰ ফলাফল অহা ফেব্ৰুৱাৰী মাহত ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৪। ৩১ অক্টোবৰৰ পৰিৱৰ্তে কাইলৈ এক'তাৰ দৌৰ কাৰ্যসূচী।

***আৰু***

৫। আহমেদাবাদাত অনুষ্ঠিত দ্বিতীয়খন এদিনীয়া মহিলা ক্ৰিকেটত ভাৰতৰ বিৰুদ্ধে নিউজিলেণ্ডৰ ৭৬ ৰানত জয়লাভ।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু স্পেইনৰ প্ৰধানমন্ত্ৰী পেড্ৰো ছানচেজে আজি যুটীয়াভাৱে বাডোদ্ৰাত চি-২৯৫ সামৰিক বিমানৰ বাবে টাটা এয়াৰক্ৰাফ্‌ট কমপ্লেক্স মুকলি কৰিব। এয়া হ'ব ভাৰতৰ সামৰিক বিমানৰ বাবে প্ৰথমটো ব্যক্তিগত খণ্ডৰ ফাইনেল এছেম্বলি লাইন। এই কাৰ্যসূচীত টাটাৰ উপৰিও ভাৰত ইলেকট্ৰনিকছ্‌ লিমিটেড আৰু ভাৰত ডায়নেমিকছ্‌ লিমিটেডৰ দৰে প্ৰতিৰক্ষা ৰাজহুৱা খণ্ডৰ অগ্ৰণী গোটসমূহৰ লগতে ব্যক্তিগত ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগসমূহেও অৰিহণা যোগাব। আকাশবাণী আহমেদাবাদাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি বাডোদ্ৰাত উপস্থিত হোৱাৰ পাছতেই দুয়োগৰাকী নেতাই এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত নেতা দুগৰাকীৰ মাজত প্ৰতিনিধি পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে টাটা এয়াৰবাছ প্ৰকল্প হৈছে মেক ইন ইণ্ডিয়া পদক্ষেপৰ অধীনত সামৰিক বিমানৰ বাবে গ্ৰহণ কৰা দেশৰ প্ৰথমটো ব্যক্তিগত খণ্ডৰ এৰোস্পেচ প্ৰকল্প। এই প্ৰকল্পই ভাৰত আৰু স্পেইনৰ মাজৰ কৌশলগত

প্ৰতিৰক্ষা সম্পৰ্কক সুদৃঢ় কৰিব। ২০২২ চনৰ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাডোদ্ৰা ফাইনেল এছেম্বলি লাইনৰ আধাৰশিলা স্থাপন কৰিছিল।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল এৰেষ্টৰ নামত চলা প্ৰৱঞ্চনাক লৈ উদ্বেগ প্ৰকাশ কৰিছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ ১১৫ সংখ্যক খণ্ডৰ যোগেদি ৰাষ্ট্ৰক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, ডিজিটেল এৰেষ্টৰ নামত চলা এনে ধৰণৰ প্ৰৱঞ্চনা ৰোধ কৰাৰ বাবে সকলো তদন্তকাৰী সংস্থাই একেলগে কাম কৰি আছে। আইনৰ অধীনত কোনো লোকক ডিজিটেল এৰেষ্ট কৰাৰ কোনো ব্যৱস্থা নাই বুলি তেওঁ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, সকলো শ্ৰেণী আৰু বয়সৰ লোক ডিজিটেল এৰেষ্টৰ বলি হৈছে আৰু ভয়ৰ বাবেই তেওঁলোকে লাখ লাখ টকাৰ লোকচান ভৰিবলগীয়া হৈছে। প্ৰধানমন্ত্ৰীয়ে এনেধৰণৰ প্ৰৱঞ্চনামূলক ফোন লাভ কৰিলে ভীতিগ্ৰস্ত নহ'বলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। তেওঁ লগতে এনে ঘটনা সংঘটিত হ'লে ভুক্তভোগীক পৰামৰ্শৰ বাবে ৰাষ্ট্ৰীয় চাইবাৰ হেল্পলাইন নম্বৰ **১৯৩০** ফোন কৰিবলৈ আৰু cybercrime.gov.inত ঘটনাৰ সবিশেষ জনাবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। তেওঁ কয় যে, চৰকাৰী সংস্থাসমূহৰ মাজত সমন্বয়ৰ বাবে ৰাষ্ট্ৰীয় চাইবাৰ সমন্বয় কেন্দ্ৰ স্থাপন কৰা হৈছে।

– বাইট –

০০০০০০০

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হ'ব। এই উপ-নিৰ্বাচনৰ বাবে শাসক-বিৰোধী আৰু নিৰ্দলীয়কে ধৰি মুঠ ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। পৰহিলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে।

ইপিনে, নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলসমূহে নিজ দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপিৰ নেতা-কৰ্মীসকলে উপ-নিৰ্বাচন হ'বলগীয়া সমষ্টিসমূহৰ কেইবাটাও প্ৰান্তত কালি প্ৰচাৰ চলায়। বিজেপি নেতা পীযুষ হাজৰিকাই বিহালী সমষ্টিত দলীয় প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

আনহাতে, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই কালি বিহালী সমষ্টিত দলীয় প্ৰাৰ্থী জয়ন্ত বৰাৰ হৈ প্ৰচাৰ চলায়। সাংসদ ৰকিবুল হুছেইনে চামগুৰি সমষ্টিৰ ভিন্ন প্ৰান্তত তাঞ্জিল হুছেইনৰ হৈ প্ৰচাৰ সভাত অংশ লয়।

০০০০০০০

ৰাজ্য চৰকাৰৰ প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ অধীনত সদ্যসমাপ্ত তৃতীয় আৰু চতুৰ্থবৰ্গৰ পৰীক্ষাৰ ফলাফল অহা ফেব্ৰুৱাৰী মাহত ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰে।

–ভইচ–

উল্লেখযোগ্য যে তৃতীয় আৰু চতুৰ্থবৰ্গৰ নিযুক্তি পৰীক্ষাৰ কেন্দ্ৰসমূহত আৰক্ষী তথা নিৰীক্ষকসকলে ত্ৰুটি অবিহনে দায়িত্ব পালন কৰাৰ কথা উল্লেখ কৰে। আনহাতে, এইবাৰৰ পৰীক্ষাত ভুল উত্তৰৰ বাবে নিগেটিভ নম্বৰ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে বুলি সংবাদ মেলত মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

দুৰ্নীতিমুক্ত সমাজৰ লক্ষ্যত উপনীত হোৱা তথা ৰাজহুৱা জীৱনত ন্যায়পৰায়নতাৰ ভাৱাদৰ্শ সংবৰ্ধনৰ উদ্দেশ্যে আজিৰ পৰা দেশজুৰি তদাৰকী সজাগতা সপ্তাহ পালন কৰা হৈছে। এই কাৰ্যসূচীৰ বিষয়বস্তু হৈছে - সত্যনিষ্ঠাৰ সংস্কৃতিৰ দ্বাৰা দেশৰ সমৃদ্ধি। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় তদাৰকী আয়োগে গণমুখী প্ৰচাৰ অভিযানেৰে এই কাৰ্যসূচীত সংশ্লিষ্ট প্ৰতিটো পক্ষৰে অংশগ্ৰহণ সুনিশ্চিত কৰাৰ বাবে গ্ৰহণ কৰা প্ৰয়াসৰ শলাগ লয়। মুখ্যমন্ত্ৰীয়ে এটা শুভেচ্ছা বাৰ্তাত উল্লেখ কৰে যে পুৰাতন ভাৰতীয় সংস্কৃতিয়ে আগবঢ়োৱা প্ৰমূল্যবোধৰ অন্যতম শিক্ষা হৈছে – সততাৰ শিক্ষা। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল ভাৰত অভিযানৰ সূচনাৰে চৰকাৰৰ প্ৰতিটো কাম-কাজত তথ্য প্ৰযুক্তিৰ ব্যাপক প্ৰয়োগেৰে প্ৰশাসন ব্যৱস্থাৰ স্বচ্ছতা আৰু দায়বদ্ধতা সুনিশ্চিত কৰিছে। প্ৰধানমন্ত্ৰী মোদীৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ ৰাজ্য চৰকাৰেও দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে অনাগত সময়ত অবিৰতভাৱে এই যাত্ৰা অব্যাহত ৰাখি স্বচ্ছ প্ৰশাসন ব্যৱস্থা গঢ় দিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। মুখ্যমন্ত্ৰীয়ে এই তদাৰকী সপ্তাহ উদযাপনৰ সময়ত ৰাজ্যৰ চৰকাৰী-বেচৰকাৰী বিষয়া-কৰ্মচাৰীসকল অধিক দায়িত্বশীল হ'ব লাগিব বুলি উল্লেখ কৰে। তেওঁ লগতে প্ৰতিগৰাকী নাগৰিকক এই দিশত বিশেষভাৱে সজাগ হৈ দুৰ্নীতিৰ বিৰুদ্ধে চলোৱা যুঁজত দৃঢ়তাৰে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে লোক প্ৰশাসন আৰু শাসন ব্যৱস্থাত স্বচ্ছতা তথা নীতি-নিয়মৰ প্ৰয়োজনীয়তা সন্দৰ্ভত ব্যাপক সচেতনতা সৃষ্টিৰ উদ্দেশ্যে তদাৰকী সজাগতা সপ্তাহ পালন কৰা হয়। মন্ত্ৰালয়, বিভাগ, ৰাজহুৱা অধিগ্ৰহণৰ সংস্থা, বেংক তথা অন্যান্য সংস্থাসমূহৰ কৰ্মচাৰীসকলৰ শপতগ্ৰহণৰ জৰিয়তে এই কাৰ্যসূচী আৰম্ভ হ'ব। এই সময়ছোৱাত দুৰ্নীতি বিৰোধী সমাজ গঢ়ি তোলাৰ উদ্দেশ্যে কেইবাটাও কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। ভাৰতৰত্ন চৰ্দাৰ বল্লৱভাই পেটেলৰ জন্মদিৱসৰ সৈতে সংগতি ৰাখি প্ৰতিবছৰে এই সময়ছোৱাত সতৰ্কতা সজাগতা সপ্তাহ পালন কৰা হয়।

০০০০০০০

নতুন শিক্ষা বৰ্ষৰ পৰা ৰাজ্যৰ বিদ্যালয়সমূহত মাতৃভাষা মাধ্যমত পাঠদান হ'ব বুলি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষণা কৰে। তেওঁ কয় যে, মিচিং, দেউৰী, তিৱা, চাওতালী, ৰাভা, ডিমাচা ভাষাৰ মাধ্যমত শিক্ষা দান কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে সাহিত্য সভাসমূহক ইতিমধ্যে পাঠ্যপুথি প্ৰস্তুতৰ দায়িত্ব দিয়াৰ লগতে এই পাঠ্যপুথিসমূহ বিদ্যালয়সমূহত উপলবদ্ধ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

নলবাৰী জিলাৰ অভিভাৱক মন্ত্ৰী তথা কৃষি মন্ত্ৰী অতুল বৰাই নলবাৰী জিলা আয়ুক্তৰ কাৰ্যালয়ত বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে মিলিত হৈ চৰকাৰী আঁচনি ৰূপায়ণ সন্দৰ্ভত বুজ লয়। মন্ত্ৰীগৰাকীয়ে মে' মাহৰ ভিতৰত কৃষি বিভাগত এহেজাৰ ৮০০ গ্ৰামসেৱক পদত নিযুক্তি দিয়া হ'ব বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। ইয়াৰ

বাবে যাৱতীয় ব্যৱস্থা বিভাগে গ্ৰহণ কৰা বুলি উল্লেখ কৰি কৃষি বিভাগক বিষয়া-কৰ্মচাৰীৰ অভাৱে বহু পৰিমাণে কাম-কাজ চলাই নিয়াত সমস্যাৰ সৃষ্টি কৰিছে বুলি প্ৰকাশ কৰে।

ooooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

ooooooo

পোহৰৰ উৎসৱ দীপাৱলী আৰু কালী পূজালৈ মাজত মাথো দুটা দিন বাকী থকা অৱস্থাত ৰাজ্যৰ বজাৰসমূহত দেশী-বিদেশী আটচবাজী আৰু থলুৱা মৃৎশিল্পীৰ দ্বাৰা নিৰ্মিত বিভিন্ন ৰং-বিৰঙী চাকিৰে ভৰি পৰিছে। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে গোলাঘাট জিলাতো মাটিৰ চাকিৰ লগতে কালী গোসাঁনীৰ মৃন্ময় মূৰ্তি প্ৰস্তুত কৰাত শিল্পীসকল ব্যস্ত হৈ পৰিছে। জিলাখনত উৎসৱৰ সময়ছোৱাত যাতে কোনো অপ্ৰীতিকৰ ঘটনা নঘটে তাৰবাবে জিলা প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ইপিনে, থলুৱা আতচবাজী উদ্যোগৰ বাবে বিখ্যাত বৰপেটা জিলাতো দীপাৱলী আৰু কালীপূজাৰ প্ৰস্তুতি পূৰ্ণ গতিত অব্যাহত আছে। এই সন্দৰ্ভত বৰপেটাৰ এটা আতচবাজী উদ্যোগৰ স্বত্বাধিকাৰী গোপজিৎ পাঠকে আমাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তৰ সৈতে হোৱা কথা-বতৰাত এইদৰে কয় –

***-বাইট-***

ধুবুৰী জিলাতো দীপাৱলী উপলক্ষে মৃৎ শিল্পীসকল ব্যস্ত হৈ পৰিছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে পৰম্পৰাগত মৃৎ শিল্পৰ বাবে জনাজাত জিলাখনৰ গৌৰীপুৰৰ ঐতিহাসিক আচাৰীকান্দি টেৰাকোটা শিল্প গাঁৱৰ মুঠ ১৬০ টা পৰিয়াল বিভিন্ন ধৰণৰ মাটিৰ চাকি নিৰ্মাণত ব্যস্ত হৈ পৰিছে। তদুপৰি টেৰাকোটাত প্ৰস্তুত কৰা মাটিৰ চাকিসমূহ ৰাজ্যৰ বিভিন্ন প্ৰান্তলৈ প্ৰেৰণ কৰা হৈছে।

ooooooo

চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা একতাৰ দৌৰ ৩১ অক্টোবৰৰ পৰিৱৰ্তে কাইলৈ অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি এই কথা ঘোষণা কৰি কয় যে এইবাৰ ৩১ অক্টোবৰত চৰ্দাৰ পেটেলৰ জন্মবাৰ্ষিকী দীপাৱলী উৎসৱৰ সৈতে একে সময়তে হোৱাৰ বাবে একতাৰ দৌৰ কাইলৈ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে দেশবাসীক দলে-বলে ওলাই আহি এই দৌৰত অংশগ্ৰহণ কৰি দেশৰ ঐক্যৰ মন্ত্ৰৰ লগতে সুস্বাস্থ্যৰ মন্ত্ৰক সকলোৰে মাজত বিয়পাই দিবলৈ আহ্বান জনায়। অৱশ্যে লৌহ মানৱগৰাকীক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে ৰাষ্ট্ৰীয় একতা দিৱসৰ প্ৰতিজ্ঞা গ্ৰহণৰ কাৰ্যসূচী প্ৰতিবছৰৰ দৰে ৩১ অক্টোবৰত পালন কৰা হ'ব।

ooooooo

মহিলা ক্ৰিকেটত ভাৰত আৰু নিউজিলেণ্ডৰ মাজত আহমেদাবাদাত অনুষ্ঠিত দ্বিতীয়খন আন্তঃৰাষ্ট্ৰীয় খেলত নিউজিলেণ্ডে ভাৰতক ৭৬ ৰানত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰি নিউজিলেণ্ডে নিৰ্ধাৰিত ৫০ অভাৰত ৯টা

উইকেট হেৰুৱাই ২৫৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতীয় দলটোৱে ৪৭ অভাৰ এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৮৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। নিউজিলেণ্ডৰ হৈ ছ'ফি ডিৱাইনে সৰ্বাধিক ৭৯ ৰানৰ বৰঙণি আগবঢ়ায়। উল্লেখযোগ্য যে দল দুটাৰ মাজত চলি থকা তিনিখনীয়া শৃংখলাৰ বৃহস্পতিবাৰে অনুষ্ঠিত প্ৰথমখন খেলত ভাৰতে নিউজিলেণ্ডক ৫৯ ৰানত পৰাস্ত কৰিছিল।

0000000

## Newspaper Review (28-10-2024 Morn.)

ভাৰত বাংলাদেশ সীমান্তত পুনৰ সক্ৰিয় গো-ধনৰ ছিণ্ডিকেট চক্ৰ, কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজৰ অধিৱেশনত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, ৰাস সমিতিলৈ ৫ কোটি টকাৰ অনুদান আগবঢ়োৱা সন্দৰ্ভত কেবিনেটৰ সিদ্ধান্ত আদি বিভিন্ন ধৰণৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

অসমৰ মাজেৰে পুনৰ বাংলাদেশলৈ অবৈধভাৱে গৰু সৰবৰাহ প্ৰক্ৰিয়া আৰম্ভ হৈছে। চুবুৰীয়া পশ্চিমবংগৰ পৰা সৰু সৰু গাড়ীৰে বাংলাদেশলৈ গৰু চালান কৰাৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কালি গুৱাহাটীত কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজৰ অধিৱেশনত অংশগ্ৰহণ কৰি কয় যে, ৰাষ্ট্ৰৰ ৰূপান্তৰৰ বাবে জাতীয়তাবাদ, আধুনিকতা আৰু প্ৰযুক্তিগত বিকাশৰ সৈতে আধ্যাত্মিকতাক সংযুক্ত কৰাটো অপৰিহাৰ্য্য। তেওঁ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ক্ৰমবৰ্ধমান প্ৰাধান্যৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই বাতৰিটো **দৈনিক অসম** কাকতে **সম্ভাৱনাৰ ক্ষেত্ৰত পৰিণত পূৰ্বোত্তৰ** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। একেটা বাতৰিকে অসমীয়া খবৰ কাকতে শান্তি-সমন্বয়-ভক্তিচেতনাৰ কেন্দ্ৰস্থল অসম শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

চামুগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ১১ গৰাকী ধৰ্মীয় সংখ্যালঘু প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰা এটা বাতৰি আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

ৰাজ্যিক কেবিনেটে জীৱন্ত ৰাস আয়োজন কৰা উদযাপন সমিতি সমূহক ২৫ হাজাৰ টকাকৈ অনুদান আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আনহাতে ৰাসকে ধৰি ধৰ্মীয় অনুষ্ঠান আয়োজনৰ ক্ষেত্ৰত প্ৰশাসনৰ পৰা অনুমতি লওতে পৰিশোধ কৰা মাচুল প্ৰত্যাহাৰৰ সিদ্ধান্তও গ্ৰহণ কৰা হয়। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰাৰ লগতে একেটা বাতৰিকে নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। আনহাতে ৰাজ্যৰ বায়'গেছ খণ্ডৰ প্ৰসাৰৰ লক্ষ্যৰে ৰাজ্য চৰকাৰ আৰু ৰিলায়েন্স বায়' এনাৰ্জি লিমিটেডৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰত কেবিনেটে অনুমোদন জনোৱা আন এটা বাতৰিক দি আছাম ট্ৰিবিউন কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমকে ধৰি দেশৰ বিভিন্ন প্ৰান্তত ৰহিংগীয়া মুছলমান লোকৰ প্ৰব্ৰজনৰ বিষয়টোত উদ্বেগ প্ৰকাশ কৰিছে। এই পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীয়ে কয় যে, উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ আৰু পশ্চিমবংগই এই বিষয়টো সমাধানৰ বাবে গুৰুত্বপূৰ্ণ প্ৰচেষ্টা গ্ৰহণ কৰা উচিত। এই বাতৰিটো দ্যা ছেণ্টিনেল

কাকতে **NE states and West Bengal must work with BSF to stop Rohingya influx** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে –

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**